চুটি গল্প ৰচনা কৰিবলৈ লৈছিল। সেইদৰে, মোপাছাঁৰ অনুকৰণত বাস্তৱ জীৱন-চিত্ৰ অঙ্কন কৰাৰ ওপৰত এইটো যুগত যথেষ্ট গুৰুত্ব দিয়া গৈছিল। তদুপৰি মোপাছাঁৰ অনুকৰণতে প্ৰচ্ছন্ন ব্যঙ্গধৰ্মী আৰু হাস্যৰসাত্মক গল্প ৰচনাত অধিক গুৰুত্ব দিয়া দেখা গৈছিল। আনকি বেজবৰুৱাৰ যুগৰ পৰা ১৯৪০ লৈকে প্ৰায় অৰ্ধশতিকা কালৰ অসমীয়া চুটি গল্পত এটা প্ৰধান ধাৰা হিচাপে ব্যঙ্গ আৰু হাস্যৰসাত্মক গল্প ৰচনা হৈছিল। এইবোৰৰ উপৰিও চেকভৰ চুটি গল্পৰ মনোবৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অনুকৰণত অসমীয়া চুটি গল্পত যথেষ্ট সংখ্যক মনঃসমীক্ষাত্মক গল্প ৰচনা হোৱা দেখা যায়।

ইংৰাজী ভাষাৰ মাধ্যমেদি পৃথিৱীৰ বিভিন্ন উন্নত চুটি গল্পৰ সৈতে পৰিচয় হোৱাৰ ফলত আৱাহন যুগৰ চুটি গল্পৰ বিষয়-বস্তু আৰু ভাব-বস্তু উভয়ৰে পৰিসৰ বৃদ্ধি হৈছে। বিশেষকৈ জাৰ্মান চুটি গল্পই গঢ়ি তোলা ৰোমাণ্টিক বাস্তৱবাদৰ প্ৰতিও অসমীয়া গল্পকাৰসকল আকৃষ্ট হোৱা যেন ধাৰণা হয়। কাৰণ আৱাহন যুগৰ চুটি গল্পত যি বাস্তৱবাদ প্ৰতিষ্ঠা হৈছিল দৰাচলতে সি ৰোমাণ্টিক বাস্তৱবাদহে।

এইবোৰৰ উপৰিও এটা পৃথক পৃষ্ঠভূমিৰ পৰা শক্তি অথবা প্ৰেৰণা লাভ কৰি আৱাহন যুগৰ অসমীয়া চুটি গল্পই এটা নতুন দিশ উন্মোচন কৰিছিল। ফ্ৰয়েডৰ যৌন মনস্তত্ত্বৰ দৃষ্টিৰে অসমীয়া চুটি গল্পত জীৱন বিশ্লেষণ কৰিবলৈ লোৱা হ'ল আৱাহন যুগতেই। ঠিক সেইদৰে মাৰ্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদৰ সূত্ৰ অনুসৰি সমাজৰ শ্ৰেণী চৰিত্ৰৰ বিশ্লেষণ কৰাৰ প্ৰৱণতা এটাও গঢ় লৈ উঠিছিল।

আৱাহন যুগত হেন্‌ৰী জেম্‌ছ আৰু ডি. এইচ. লৰেন্সৰ সাহিত্য দৰ্শনৰ আধাৰত মন গহনত প্ৰৱেশ কৰি মানুহৰ আভ্যন্তৰ জীৱনৰ অন্বেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছিল। এনে কাৰণতে সংখ্যাত কম হ'লেও দুই এটা গল্পত চেতনাস্ৰোত (stream of consciousness) ৰ তত্ত্ব প্ৰয়োগ কৰি চুটি গল্প সৃষ্টি কৰা হৈছিল।

ওপৰৰ চমু আলোচনাৰ পৰা দেখা গ'ল যে আৱাহনৰ সমকালীন অন্যান্য আলোচনীৰ যোগেদি অসমীয়া চুটি গল্পই যি বিস্তাৰ লাভ কৰিছিল, তাৰ বাবে এটা শক্তিশালী পৃষ্ঠভূমি পাইছিল। এই পৃষ্ঠভূমি বহলভাৱে তিনিটা দিশৰ। প্ৰথমটো দিশ গান্ধীৰ স্বাধীনতা আন্দোলনৰ যোগেদি ৰাজনৈতিক চেতনা, দ্বিতীয়টো সমকালীন অসমৰ ক্ৰমবৰ্ধমান শিক্ষাব্যৱস্থা আৰু তৃতীয়টো পশ্চিমৰ বিভিন্ন সাহিত্যৰ মতাদৰ্শ। এই তিনিটা দিশৰ পৰা আৱাহনৰ যুগটোত অসমীয়া চুটি গল্প শক্তিশালী হৈ উঠিব পৰা বলিষ্ঠ পটভূমি এটা গঢ় লৈ উঠিছিল। এনে পটভূমিতেই আৱাহন যুগৰ অসমীয়া চুটি গল্প শক্তিশালী হৈ উঠিছিল।